# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 23-02-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মধ্যপ্ৰদেশ, বিহাৰ আৰু অসমৰ তিনি দিনীয়া ভ্ৰমণসূচীৰে আজি ৰাওনা হ'ব।

৩। কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে সকলো লোককে নিজৰ সামৰ্থ অনুসৰি কৰ্মসংস্থাপনৰ সুযোগ প্ৰদান কৰাটো সমবায় বিপ্লবৰ জৰিয়তেহে সম্ভৱ বুলি প্ৰকাশ কৰিছে।

৪। কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে জনসাধাৰণলৈ উন্নত আৰু গুণগত চিকিৎসা সেৱা আগবঢ়োৱাৰ উদ্দেশ্যে ব্যক্তিগত আৰু চৰকাৰী খণ্ডৰ মাজত অধিক সমন্বয়ৰ বাবে আহ্বান জনাইছে।

**আৰু**

৫। অষ্ট্ৰেলিয়াই যোৱা নিশা আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ বিৰ এখন খেলত ইংলেণ্ডক ৫ উইকেটক পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১৯ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ লগতে airnews ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মধ্যপ্ৰদেশ, বিহাৰ আৰু অসমৰ তিনি দিনীয়া ভ্ৰমণসূচীৰে আজি ৰাওনা হ'ব। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত শ্ৰী মোদীয়ে আজি মধ্যপ্ৰদেশৰ চত্তৰপুৰ জিলাৰ বাঘেশ্বৰ ধাম চিকিৎসা আৰু বিজ্ঞান গৱেষণা প্ৰতিষ্ঠানৰ আধাৰশিলা স্থাপন কৰিব। এই চিকিৎসালয়খনত অত্যাধুনিক আহিলা পাতি আৰু বিশেষজ্ঞ চিকিৎসকৰ সহায়ত দুখীয়া কৰ্কট ৰোগীসকলক বিনামূলীয়া চিকিৎসা প্ৰদান কৰা হ'ব। তেওঁ লগতে ভূপালত দুদিনীয়া গোলকীয় বিনিয়োগ সন্মিলন মুকলি কৰিব।

কাইলৈ প্ৰধানমন্ত্ৰী বিহাৰৰ ভাগলপুৰলৈ যাব। সিদিনাখন তেওঁ ভাগলপুৰৰ পৰা প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ ঊনিবংশ কিস্তিৰ ধন মুকলি কৰিব। এই আঁচনিৰ অধীনত খেতিয়কসকলক সম পৰিমাণৰ তিনিটা কিস্তিত বছৰি ৬ হাজাৰ টকা প্ৰদান কৰা হয়।

সমগ্ৰ দেশৰ ৯ কোটি ৮০ লাখৰো অধিক খেতিয়কৰ প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থাৰ মাধ্যমেৰে ২২ হাজাৰ কোটিৰো অধিক টকাৰ বিত্তিয় সাহায্য প্ৰদান কৰা হ'ব বুলি কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে। মোদী চৰকাৰে কৃষকৰ কল্যাণত সৰ্বাধিক গুৰুত্ব আৰোপ কৰি আহিছে বুলি উল্লেখ কৰি শ্ৰী চৌহানে কয়, যে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ অধীনত বৰ্তমানলৈকে দেশৰ ১১ কোটিৰো অধিক পৰিয়াললৈ ৩ লাখ ৪৬ হাজাৰ কোটি টকা যোগান ধৰা হৈছে। এই উপলক্ষে সমগ্ৰ দেশৰ ৭৩১টা কৃষি বিজ্ঞান কেন্দ্ৰত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে আঢ়ৈ কোটি কৃষক পৰিয়ালে প্ৰত্যক্ষ অথবা ভাৰ্চুৱেল ব্যৱস্থাৰে এই অনুষ্ঠানত যোগদান কৰিব।

প্ৰধানমন্ত্ৰীয়ে বিহাৰ ভ্ৰমণ সামৰি কাইলৈ অসমৰ চাহ শিল্পৰ ২০০ বছৰীয়া ঐতিহ্য উদযাপনকল্পে হ'বলগীয়া ঝুমইৰ বিনন্দিনী শীৰ্ষক অনুষ্ঠান উপভোগ কৰাৰ বাবে গুৱাহাটীলৈ আহিব। সেইদিনাই তেওঁ দুখন জনগোষ্ঠীয় প্ৰদৰ্শনীতো ভাগ ল'ব। প্ৰধানমন্ত্ৰীয়ে মঙলবাৰে উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ মুকলি কৰিব। প্ৰধানমন্ত্ৰীক আদৰাৰ বাবে অসম চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজ্যখনৰ বিভিন্ন সাংস্কৃতিক দলসমূহে অসমৰ বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনেৰে প্ৰধানমন্ত্ৰীগৰাকীক লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত আদৰণি জনাব।

ooooo

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আজি দিনজোৰা ভ্ৰমণসূচীৰে জয়পুৰলৈ যাব। এই ভ্ৰমণকালত শ্ৰী ধনখড়ে জয়পুৰ ৰাষ্ট্ৰীয় বিশ্ববিদ্যালয়ৰ চতুৰ্দশ সমাৱৰ্তন অনুষ্ঠানৰ মুখ্য অতিথি হিচাপে অংশ ল'ব।

ooooo

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে সকলো লোককে নিজৰ সামৰ্থ অনুসৰি কৰ্মসংস্থাপনৰ সুযোগ প্ৰদান কৰা আৰু প্ৰতিটো পৰিয়ালকে সমৃদ্ধিশালী কৰি দেশৰ উন্নয়নৰ সৈতে জড়িত কৰাটো সমবায় বিপ্লৱৰ জৰিয়তেহে সম্ভৱ বুলি প্ৰকাশ কৰিছে। যোৱা তিনিটা বছৰত কেন্দ্ৰীয় চৰকাৰে সমবায় বিপ্লৱক বিশেষ গুৰুত্ব দিয়াৰ পৰিপ্ৰেক্ষিতত এই খণ্ডটোৱে গতি লাভ কৰিবলৈ সমৰ্থ হৈছে বুলিও তেওঁ উল্লেখ কৰে।

পুনেত কালি **জনতাসহকাৰী বেংকৰ** মহাৰজত জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে মোদী চৰকাৰে দেশৰ সমবায় খণ্ডক বিপণনযোগ্য কৰি তুলিছে। তেওঁ লগতে কেন্দ্ৰীয় পঞ্জীয়ন সমবায় সমিতিৰ প্ৰথমটো আঞ্চলিক কাৰ্যালয় পুনেত মুকলি কৰা হ'ব বুলি প্ৰকাশ কৰে। তেওঁ কয়, যে সমগ্ৰ দেশৰ সমবায় বেংকসমূহৰ আৰ্থিক অসুবিধাসমূহ দূৰ কৰাত সহায় কৰাৰ বাবে এটা বিশেষ সংস্থা গঢ় দিয়া হৈছে। শ্ৰী শ্বাহে কয়, যে সমবায়সমূহে নতুন প্ৰযুক্তিক আদৰি ল'লে ইয়াৰ ক্ৰমবৰ্ধমান বিকাশ সাধন হ'ব। গৃহমন্ত্ৰীগৰাকীয়ে লগতে পুনেত অনুষ্ঠিত পশ্চিম মাণ্ডলিক পৰিষদৰ ২৭ সংখ্যক বৈঠকতো অধ্যক্ষতা কৰে। শ্ৰী শ্বাহে সমবায় শিক্ষাক শক্তিশালী কৰাৰ উদ্দেশ্যে এখন সমবায় বিশ্ববিদ্যালয় বিধেয়কৰ কথা উল্লেখ কৰে।

অনুষ্ঠানত মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাৰ্নাবিছ, উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰ, উপ-মুখ্যমন্ত্ৰী একনাথ সিন্দেৰ লগতে অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্‌ জয়শংকৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চলিত মাহৰ আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণক সফল বুলি প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী মোদী আৰু আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ মাজত সু-সম্পৰ্ক থকা বুলি ড০ জয়শংকৰে প্ৰকাশ কৰে। চৰকাৰী ভ্ৰমণসূচীৰে যোৱা ১২ আৰু ১৩ ফেব্ৰুৱাৰীত আমেৰিকা যুক্তৰাষ্ট্ৰলৈ যোৱা শ্ৰী মোদীয়ে এই ভ্ৰমণকালত দুয়োগৰাকী নেতাই বিভিন্ন দ্বিপাক্ষিক বিষয় লৈ আলোচনা কৰে। নিজ নিজ দেশক লৈ দুয়োগৰাকী নেতাৰে নিজস্ব দৃষ্টিভংগী থকাৰ লগতে উভয় দেশে একেলগে কাম কৰি যাব বুলিও ড০ জয়শংকৰে প্ৰকাশ কৰে।

০০০০০

কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে জনসাধাৰণলৈ উন্নত আৰু গুণগত চিকিৎসা সেৱা আগবঢ়োৱাৰ উদ্দেশ্যে ব্যক্তিগত আৰু চৰকাৰী খণ্ডৰ মাজত অধিক সমন্বয়ৰ বাবে আহ্বান জনাইছে। ড০ সিঙে কয়, যে এনে সমন্বয়ৰ বাবে ব্যক্তিগত খণ্ডৰ একাংশ চিকিৎসালয়ে সফলতা অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। তেওঁ কয়, যে চৰকাৰে দেশৰ দুৰ্গম এলেকাৰ নাগৰিকসকলক প্ৰতিৰোধমূলক স্বাস্থ্য সেৱা আগবঢ়োৱাৰ উদ্দেশ্যে ব্যক্তিগত আৰু চৰকাৰী উভয়খণ্ডৰ চিকিৎসালয় আৰু নাৰ্চিংহোমসমূহৰ মাজত সমন্বয়ৰ প্ৰচেষ্টাত উদগনি যোগাই আহিছে। মন্ত্ৰীগৰাকীয়ে কালি জম্মু-কাশ্মীৰৰ আখনুৰৰ নীলকণ্ঠ স্বাস্থ্য সেৱা আৰু চিকিৎসালয় মুকলি কৰি এইদৰে প্ৰকাশ কৰে।

০০০০০

মণিপুৰৰ চুৰাচান্দপুৰ জিলাত জমি আৰু কুকী সম্প্ৰদায়ে ১৬ বিধ অস্ত্ৰ-শস্ত্ৰ নিৰাপত্তাৰক্ষীৰ হাতত স্বেচ্ছায়ে সমৰ্পণ কৰে। মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই যোৱা বৃহস্পতিবাৰে ৰাজ্যখনৰ সকলো সম্প্ৰদায়ৰ লোকক আৰক্ষীৰ পৰা কাঢ়ি নিয়া আৰু অবৈধভাৱে নিজৰ লগত ৰখা অস্ত্ৰ-শস্ত্ৰসমূহ সাত দিনৰ ভিতৰত আৰক্ষীক জমা দিবলৈ আহ্বান জনাইছিল। অস্ত্ৰ-শস্ত্ৰসমূহ নিৰ্দিষ্ট সময়ত জমা নিদিলে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি ৰাজভৱনৰ পৰা প্ৰকাশ কৰা হৈছিল। ৰাজ্যপালৰ এই আহ্বানৰ পাছতেই জমি আৰু কুকী সম্প্ৰদায়ৰ নেতাসকলে অস্ত্ৰ-শস্ত্ৰ সমৰ্পন কৰি ৰাজ্যখনত শান্তি আৰু শৃংখলা বৰ্তাই ৰখাৰ চেষ্টা চলায়।

০০০০০

দিল্লীৰ নৱগঠিত অষ্টম বিধানসভাৰ প্ৰথমখন অধিৱেশন কাইলৈ আৰম্ভ হ'ব। অধিৱেশনৰ প্ৰথম দিনটোত নৱ নিৰ্বাচিত সদস্যসকলে শপত গ্ৰহণ কৰিব বুলি দিল্লী বিধানসভাই জাননী যোগে প্ৰকাশ কৰিছে। কাইলৈ বিধানসভাৰ অধ্যক্ষও নিৰ্বাচন কৰা হ'ব। অধিৱেশনৰ দ্বিতীয় দিনা দিল্লীৰ উপ-ৰাজ্যপাল বিনয় কুমাৰ ছাক্সেনাই সদনক উদ্দেশ্য কৰি ভাষণ দিয়াৰ লগতে পূৰ্বৰ চৰকাৰৰ কামকাজ সন্দৰ্ভত কেগ অৰ্থাৎ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ প্ৰতিবেদন দাখিল কৰিব। বিধায়ক অৰবিন্দৰ সিং লাভলিক অস্থায়ী অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হৈছে। শ্ৰী সিঙে নৱ-নিৰ্বাচিত বিধায়কসলক শপত বাক্য পাঠ কৰোৱায়।

০০০০০

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজৰ মহাকুম্ভৰ ত্ৰিবেণী সংগমত বৰ্তমানলৈকে ৬০ কোটি ৭৪ লাখৰো অধিক ভক্তই পৱিত্ৰ স্নান সম্পন্ন কৰিছে। বিশ্বৰ বিভিন্ন প্ৰান্তৰ লাখ লাখ ভক্তই প্ৰতিদিনে এই উৎসৱত অংশ লৈছে। আমাৰ সংবাদদাতাই জনাইছে যে, কালি সংগমত প্ৰায় এক কোটি ৪৩ লাখ লোকে পৱিত্ৰ স্নান কৰে।

০০০০০

অষ্ট্ৰেলিয়াই যোৱা নিশা পাকিস্তানৰ লাহোৰৰ গড্ডাফি ষ্টেডিয়ামত অনুষ্ঠিত আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ বিৰ এখন খেলত ইংলেণ্ডক ৫ উইকেটক পৰাস্ত কৰে। ৩৫২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি অষ্ট্ৰেলিয়াই ১৩৬ ৰানত ৪ টাকৈ হেৰুৱায়। ইয়াৰ পাছত এলেক্স কেৰিয়ে যোশ ইংগ্লিছৰ সৈতে দলক এই বিপৰ্যয়ৰ পৰা উদ্ধাৰ কৰে। ইংগ্লিছে ৮৬ টা বলত ১২০ ৰান কৰে। কেৰিয়ে ৬৩টা বলত ৬৯ আৰু মেথিউ ছৰ্টে ৬৬ টা বলত ৬৩ ৰানৰ বৰঙণি আগবঢ়ায়। ইয়াৰ আগেয়ে ইংলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত ৮ টা উইকেট হেৰুৱাই ৩৫১ ৰান কৰে। ইংলেণ্ডৰ হৈ পেন ডাকেটে ১৬৫ ৰান কৰে। জ' ৰুটে ৬৮ ৰানৰ বৰঙণি আগবঢ়ায়। অষ্ট্ৰেলিয়াৰ বেন দ্বাৰছুইছে তিনিটা উইকেট দখল কৰে।

প্ৰতিযোগিতাত আজি ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ভাৰত-পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত